৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

RNI R

Porta

e-mai

# অসম আদিত্য

৫ শাওণ, ১৯৪৮ শক ■ শনিবাৰ, ১ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, August 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প

লক সোণমণি চৌধুৰী,
ালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন
গতে বিভিন্ন বিভাগৰ
ল উপস্থিত থাকে।
নতুন উদ্যমীসকলক এই
কব্যৱহাৰ কৰি স্বাৱলম্বী
কৰ্মসংস্থাপন সৃষ্টিকাৰী
উঠিবলৈ আহ্বান জনায়,
আত্মনিৰ্ভৰ আৰু
ৰে সবল অসম নিৰ্মাণত
াব পৰা যায়।

## কানৈ মহাবিদ্যালয়ত বৃক্ষ বন্ধু কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, ৩১ জুলাই ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ যুটীয়া উদ্যোগত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকাই কানৈ মহাবিদ্যালয়ৰ চৌহদত প্ৰকৃতিক অধিক সজীৱ কৰি তোলাৰ উদ্দেশ্যৰে বৃক্ষ ৰোপণ কৰে। ড০ ডেকাৰ স'তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড০ গোপাল চন্দ্ৰ হাজৰিকা, ড০ লখিৰাম শইকীয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভঁৰালীয়েও এজোপাকৈ মহানিম পুলি ৰোপণ কৰে। উল্লেখ্য যে অসম চৰকাৰৰ 'বৃক্ষ বন্ধু' কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কানৈ মহাবিদ্যালয় আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড়ত পাঁচ হাজাৰ মহানিম পুলি ৰোপণ কৰাৰ কাৰ্যসূচী চলি আছে। ইয়াৰ অংশ হিচাপে আজি প্ৰাক্তন উপাচাৰ্যৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক কেইগৰাকীয়ে বৃক্ষ ৰোপণ কৰি প্ৰকৃতিক সুৰক্ষা দিয়াৰ এক বাৰ্তা প্ৰেৰণ কৰে। মনকৰিবলগীয়া যে যোৱা পাঁচ জুনৰ পৰা দুয়োটা অনুষ্ঠানে ডিব্ৰুগড় চহৰকে ধৰি আশে-পাশে মহানিম পুলি ৰোপণ কৰি আহিছে। ইতিমধ্যে ডেৰ হাজাৰ মহানিমৰ পুলি ৰোপণ কৰা হৈছে। অনুষ্ঠান দুটাই পাঁচ হাজাৰ মহানিম পুলি ৰোপণ কৰাৰ কথা ঘোষণা কৰিলেও জনসাধাৰণৰ ইতিবাচক সঁহাৰি লাভ কৰাৰ ফলত এই কাৰ্যসূচীয়ে পাঁচ হাজাৰ অতিক্ৰম কৰিব বুলি অধ্যক্ষ ড০ শইকীয়াই জানিবলৈ দিছে। চৰকাৰৰ 'বৃক্ষ বন্ধু' কাৰ্যসূচীক শক্তিশালীভাৱে আগুৱাই নিব বুলিও তেওঁ কয়।